# বিশ্ব পৰিৱেশ দিৱস, ৫ জুন ২০১৬

UNEP | WORLD ENVIRONMENT DAY | GO WILD FOR LIFE

5 June 2016, Host County: Angola

UNEP Theme

## "Go Wild For Life"

ZERO TOLERANCE FOR THE ILLEGAL WILDLIFE TRADE

## "বন্যতাৰে সেতু, জীৱন ৰক্ষাৰ হেতু"

বন্যপ্ৰাণীৰ অবৈধ বেহাৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হওঁ আহক




### অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ

বামুণীমৈদাম, গুৱাহাটী- ২১

pcba

# বিশ্ব পৰিৱেশ দিৱস

বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত পৃথিৱীৰ পৰিৱেশ সংৰক্ষণৰ আৱশ্যকতা আৰু প্ৰয়োজনীয়তা সম্বন্ধে জন সজাগতা বৃদ্ধি আৰু ইয়াৰ হকে বিভিন্ন স্তৰত কৰ্মআঁচনি যুগুত কৰিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰে ৫ জুন তাৰিখটো সমগ্ৰ বিশ্বতে 'বিশ্ব পৰিৱেশ দিৱস' দিৱস হিচাপে উদ্‌যাপন কৰি অহা হৈছে। ১৯৭২ চনৰ ৫ - ১৬ জুন তাৰিখে ষ্টকহম চহৰত অনুষ্ঠিত মানৱ-পৰিৱেশ সম্বন্ধীয় আন্তৰ্জাতিক মহাসভাখনত লোৱা সিদ্ধান্ত মৰ্মে মানুহ আৰু পৰিৱেশ সম্পৰ্কীয় বিষয়সমূহক গুৰুত্ব দিবলৈ প্ৰতি বছৰে ৫ জুন তাৰিখটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰি অহা হৈছে। ১৯৭৩ চনৰ ৫ জুন তাৰিখটো পোন প্ৰথমবাৰৰ বাবে বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰা হয়। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্য্যসূচীৰ (UNEP) নেতৃত্বত পালন কৰা এই দিৱসত প্ৰতি বছৰে মানুহ আৰু পৰিৱেশৰ লগত সম্পৰ্কিত একোটা বিশেষ বিষয়ৰ ওপৰত আলোকপাত কৰা হয়। এই বছৰৰ মূল আলোচ্য বিষয় হ'ল - "বন্যতাৰে সেতু, জীৱন ৰক্ষাৰ হেতু ঃ বন্যপ্ৰাণীৰ অবৈধ বেহাৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হওঁ আহক।" এই বছৰ আয়োজক দেশ হিচাপে এংগোলা ৰাষ্ট্ৰক নিৰ্বাচন কৰিছে।

# বন্যপ্ৰাণীৰ অবৈধ বেহা

বন্যপ্ৰাণীৰ অবৈধ সংগ্ৰহ আৰু ক্ৰয়-বিক্ৰয়ৰ সমগ্ৰ প্ৰক্ৰিয়াটো বা ইয়াৰ অবৈধ বেহা বৰ্তমান সময়ৰ পৰিৱেশ আৰু জীৱবিচিত্ৰতা সংৰক্ষণৰ ক্ষেত্ৰত এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। অৰ্থনৈতিক লাভা-লাভৰ ওপৰত ভিত্তি গঢ়ি উঠা এই ব্যৱসায়ত সাধাৰণতে দুষ্প্ৰাপ্য, বিৰল, বিপদাপন্ন বা সংৰক্ষিত প্ৰজাতিৰ জীৱ-জন্তু বা গছ-গছনি বেছি লক্ষ্য হৈ পৰা দেখা যায়। এই ব্যৱসায়ৰ বাবেবন্যপ্ৰাণীৰ হত্যা বা সংগ্ৰহ স্থানীয় পৰ্য্যায়ত আৰম্ভহৈ ব্যৱসায়িক জখলাৰে বগাই ঘৰুৱা, ৰাষ্ট্ৰীয় বা আন্তৰ্জাতিক বজাৰ পায়গৈ। বন্যপ্ৰাণীৰ অবৈধ বেহাৰ গোটেই চক্ৰটোৱে এখন সু-সংগঠিত অপৰাধ জগতৰ জন্ম দিয়ে। বন্যপ্ৰাণীৰ সংগ্ৰহ, মজুতকৰণ, ইয়াৰ পৰা বিভিন্ন বস্তু প্ৰস্তুতকৰণ, এইবোৰ কঢ়িওৱা ব্যৱস্থা, ক্ৰয়-বিক্ৰয় আদি গোটেই প্ৰক্ৰিয়াটোতে এটা ডাঙৰ চক্ৰ জড়িত হৈ থাকে। এই চক্ৰৰ প্ৰতিটো পৰ্য্যায়েই অবৈধ আৰু আইন মতে দণ্ডনীয়।

বিশ্বৰ অনেক ঠাইত অবৈধ বেহাৰ প্ৰকোপত বন্যপ্ৰাণীৰ বহু প্ৰজাতি বিলুপ্তিৰ পথলৈ গতি কৰিছে আৰু আন বহুতোৰো অৱস্থিতি সংকটাপন্ন হৈ পৰিছে। বন্যপ্ৰাণীৰ অবৈধ বেহাত ব্যৱসায়ীসকলৰ অৰ্থনৈতিক লাভৰ উপৰিও উপভোক্তাৰ চাহিদাই মূল ইন্ধন যোগায়। আচৰিত যেন লাগিলেও পৰিসংখ্যামতে বিশ্বত বছৰি প্ৰায় ১৫ - ২০ বিলিয়ন আমেৰিকান ডলাৰ মূল্যৰ পৰিমাণৰ বন্যপ্ৰাণীৰ অবৈধ বেহা-বেপাৰ চলে। ২০০৯ - ২০১৪ চনৰ ভিতৰত অকল আফ্ৰিকা মহাদেশৰ পৰা আনুমানিক ১৭০ টন পৰিমাণৰ হাতী দাঁতৰ অলংকাৰ অবৈধভাৱে ৰপ্তানি হৈছিল। যোৱা এটা দশকত ১০,০০,০০০ অৰো অধিক বন্যপ্ৰাণী বনাঞ্চলৰ পৰা সংগ্ৰহ তথা অবৈধ বেহাৰ বলি হৈছে।

আমাৰ অসমতো গঁড়, হাতী, বাঘ, কেকো সাপ আদি প্ৰজাতিৰ জীৱ-জন্তু মাজে সময়ে অবৈধ ব্যৱসায়ৰ বলি হৈ আছে। এই সকলৰ সুৰক্ষা নিশ্চিত কৰাতো আমাৰ দায়িত্ব।

## বন্যপ্ৰাণীৰ অবৈধ বেহাৰ কু-প্ৰভাৱ

- অবৈধ বেহাৰ কবলত পৰা জীৱ-জন্তু বা গছ-গছনিৰ অস্তিত্বৰ সংকট আহি পৰে।
- ই পৰিস্থিতি তন্ত্ৰত বিসংগতি আৰু খাদ্য শংখলত বিজুতি ঘটায়।
- ইয়াৰ কবলত পৰা দেশ বা ৰাজ্য অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত হয়।
- বে-আইনী বেহাই অপৰাধৰ সংখ্যা বঢ়ায়, আৰু সমাজত নিৰাপত্তাজনিত সমস্যাৰ জন্ম দিয়ে।
- ই জীৱবিচিত্ৰতা হ্ৰাস কৰে কিয়নো এবাৰ হেৰাই যোৱা বা বিলুপ্ত হোৱা কোনো জীৱ প্ৰজাতি পুনৰ ঘুৰি নাহে।
- প্ৰাকৃতিক সম্পদৰ বহনক্ষম পৰিচালনাৰ ক্ষেত্ৰত ই এক অন্তৰায়।

## বন্যপ্ৰাণীৰ অবৈধ বেহা ৰোধৰ উপায়

- বন্যপ্ৰাণীৰ অংগেৰে তৈয়াৰী বস্তু বা সামগ্ৰী ব্যৱহাৰ বা ক্ৰয়ৰ অভ্যাস ত্যাগ কৰা আৰু এই বিষয়ে নিজৰ পৰিয়ালৰ আন আন সদস্য আৰু বন্ধু-বান্ধৱকো ইয়াৰপৰা বিৰত থাকিবলৈ অনুৰোধ কৰা।
- বন্যপ্ৰাণীৰ বেহা সম্পৰ্কীয় কিবা খবৰ পালে ততালিকে স্থানীয় বন বিভাগ বা আৰক্ষী চকী বা সীমাশুল্ক বিভাগ বা বন্যপ্ৰাণী অপৰাধ নিয়ন্ত্ৰণ বিভাগক খবৰ দিব লাগে।
- বন্যপ্ৰাণী সংৰক্ষণ কাৰ্য্যসূচীত স্থানীয়লোকক বিশ্বাসত লব লাগে।







বন্যপ্ৰাণীৰ পৰা তৈয়াৰী সামগ্ৰী বা বন্যপ্ৰাণী ব্যৱহাৰ বে-আইনী,
এইবোৰ ব্যৱহাৰৰ অভ্যাস ত্যাগ কৰক।

- পৰিৱেশৰ ভাৰসাম্য ৰক্ষাত প্ৰতিতো বন্যপ্ৰাণী প্ৰজাতিৰ গুৰুত্বৰ ওপৰত জন-সজাগতামূলক কাৰ্য্যসূচী হাতত লোৱা, বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত।
- বন্যপ্ৰাণীৰ অবৈধ বেহাৰ বাবে হ'ব পৰা আইনগত দণ্ডৰ বিষয়ে প্ৰচাৰ মাধ্যমৰ জৰিয়তে সজাগতা সৃষ্টি কৰা।
- ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক স্তৰত ইয়াৰ অবৈধ বেহা ৰোধৰ বাবে কঠোৰ কিন্তু সৰল আৰু সহজতে বলবৎ কৰিব পৰা আইন প্ৰণয়ন কৰা।
- পৰ্য্যটন ক্ষেত্ৰ, বিমান বন্দৰ, বাছ আস্থান, ৰেল ষ্টেছন আদিত বন্যপ্ৰাণীৰপৰা তৈয়াৰী নিষিদ্ধ সামগ্ৰীৰ বিজ্ঞাপনমূলক আৰ্হি প্ৰদৰ্শন কৰা।





বন্যপ্ৰাণীৰ পৰা তৈয়াৰী সামগ্ৰী বা বন্যপ্ৰাণী ব্যৱহাৰ বে-আইনী, এইবোৰ ব্যৱহাৰৰ অভ্যাস ত্যাগ কৰক।

## জানি থোৱা ভাল

- বন্যপ্ৰাণী (সংৰক্ষণ) আইনৰ, ১৯৭২ অৰ অধীনত ভাৰতবৰ্ষত বেছিভাগ বন্যপ্ৰাণীৰ বেহা নিষিদ্ধ।
- Convention on International Trade in Endangered Species of Wild Fauna and Flora (CITES), এ ৮৩০ বিধৰো অধিক প্ৰজাতিৰ বন্যপ্ৰাণীৰবেহা আন্তৰ্জাতিকভাৱে নিষিদ্ধ কৰিছে আৰু ৩৩,০০০ অৰো অধিক প্ৰজাতিৰ বেহা কঠোৰ নিয়মৰ অধীনলৈ আনিছে।

*বন্যপ্ৰাণীৰ অবৈধ বেহা ৰোধ আৰু ইয়াৰ সংৰক্ষণৰ লক্ষ্যৰে জন সজাগতা আনিবৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ হৈ সদস্য সচিব (ভাঃ প্ৰাঃ) বিশ্ব কুমাৰ বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।*

সম্পাদনা ঃ কান্তেশ্বৰ কলিতা।